### এ আই ইউ ডি এফে বিজেপিৰ বি টীম হিচপে কাম কৰিছে

# আৰ এছ এছৰ লগত আছে আজমলৰ গোপন সম্পৰ্ক

## প্ৰাক্তন মন্ত্ৰী ডাঃ অৰ্ধেন্দু দে'ৰ বিস্ফোৰক অভিযোগ

**জনগণ সেৱা, হোজাই, ৬ ডিচেম্বৰ ঃ** এ আই ইউ ডি এফে অসমত বিজেপিৰ বি টীম হিচাপে কাম কৰি আছে, আৰ এছ এছৰ সৈতে আজমলৰ গোপন সম্পৰ্ক এই বিস্ফোৰক অভিযোগ প্ৰাক্তন মন্ত্ৰী তথা হোজাই জিলা কংগ্ৰেছৰ সভাপতি ডাঃ অৰ্ধেন্দু কুমাৰ দে'ৰ। আজি হোজাইস্থিত নিজ বাসভৱনত এক সংবাদমেল আয়োজন কৰি প্ৰাক্তন মন্ত্ৰীজনে কয় লোকসভাৰ নিৰ্বাচনৰ পূৰ্বে দিল্লীৰ এখন হোটেলত বিজেপিৰ সাংসদ বৰুণ গান্ধীৰ লগত এখন হোটেলত লগ হোৱাৰ সময়ত এই কথা জনাইছিল। কেৱল সেয়াই নহয়, গুৱাহাটী লোকসভা সমষ্টিত বিজয়া চক্ৰৱৰ্তীক জিকাই অনাৰ বাবে বিজেপিৰ পৰামৰ্শত আজমলে মুছলমান প্ৰাৰ্থী দিছিল, সেই সময়ত বিজয়া চক্ৰৱৰ্তীয়ে কান্দি কান্দি দলীয় নেতৃত্বৰ ওচৰত খাটনি ধৰাৰ বাবেই বিজেপিয়ে এ আই ইউ ডি এফৰ সহায় লৈছিল, সেই সময়ত শিলচৰ সমষ্টিত বৰ্ষীয়ান কংগ্ৰেছী নেতা সন্তোষ মোহন দেৱকো হৰুৱাবলৈও প্ৰতিদ্বন্দ্বিতা কৰিছিল আজমলে। এই গোপন কথাখিনি বৰুণ গান্ধীয়ে সেই সময়ত ডাঃ দে'ৰ লগত হোৱা সাক্ষাৎৰ সময়ছোৱাত জনাইছিল বুলি দাবী কৰে। বিধান সভা নিৰ্বাচনতো আজমলে বিজেপিক সহায় কৰি আহিছিল বুলি অভিযোগ কৰি প্ৰাক্তন মন্ত্ৰী ডাঃ দে'ই কয় আজমল এজন চতুৰ ব্যৱসায়ী, সেয়ে শাসনত থকা বিজেপি দলৰ লগত তেওঁ সম্পৰ্ক ৰক্ষা কৰি চলে। শাসকীয় দলক তৈলমৰ্দন কৰি তেওঁ স্বাৰ্থ আদায় কৰিব জানে। শেহতীয়াকৈ অসমৰ বাহিৰৰ পৰা শিলচৰত আহি দেৱতনু ভট্টাচাৰ্যই মুছলমানক খেদিবলৈ হাতত মাৰানাস্ত্ৰ লোৱাৰ উচটনি দিয়া ঘটনাক তীব্ৰ গৰিহণা দিয়ে ডাঃ দেয়ে। দেৱতনু ভট্টাচাৰ্য আৰ এছ এছৰ ব্যক্তি কাৰণে অসম আৰক্ষীয়ে সাহস নেদেখুৱা বুলি অভিযোগ কৰে। দেৱতনু, শিলাদিত্য, শ্বাহ আলম, আজমলে এটাৰ পিছত এটা সাম্প্ৰদায়িক মন্তব্য দি অহাৰ পিছতো আৰক্ষীয়ে এতিয়ালৈকে আটক নকৰাত ক্ষোভ প্ৰকাশ কৰে। শিলাদিত্য, দেৱতনু চৰকাৰৰ আশীষপুষ্ট হোৱাৰ কাৰণে বহুকেইটা গোচৰ হোৱাৰ পিছতো আটক কৰি জেললৈ পঠোৱা নহ'ল, কিন্তু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা অখিল গগৈয়ে প্ৰয়োজনত হাতত অস্ত্ৰ তুলি লোৱাৰ কথা কোৱাৰ লগে লগে এন এছ এত গ্ৰেপ্তাৰ কৰা হ'ল কিন্তু একেখন সভাত আলোচনাপন্থী আলফা নেতা জিতেন দত্তই হাতত অস্ত্ৰ তুলি লোৱাৰ হুংকাৰ দিয়াৰ পিছতো কিয় গ্ৰেপ্তাৰ কৰা নহ'ল বুলি প্ৰাক্তন কংগ্ৰেছী মন্ত্ৰীজনে প্ৰশ্ন কৰে।



*ব্ৰহ্মপুত্ৰ নদী ৰক্ষাৰ বাবে সজাগতা সৃষ্টিৰ প্ৰয়াস সংগীতজ্ঞ কিশোৰ গিৰিৰ, গুৱাহাটীত বুধবাৰে*

### জনজাতিকৰণৰ দাবীত উত্তাল কোকৰাঝাৰ

# কোকৰাঝাৰত সদৌ চাওতাল ছাত্ৰ সন্থাৰ তিনিঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী

## বিজেপিয়ে প্ৰতাৰণা কৰিছে ঃ ছাইমন - অসম বন্ধ ৰে'ল ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধৰ হুংকাৰ

**জনগণ সেৱা, কোকৰাঝাৰ, ৬ ডিচেম্বৰ ঃ** সদৌ চাওতাল ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে ছাত্ৰ সংগঠনটোৰ কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত আজি কোকৰাঝাৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ নিকটত ধৰ্ণা কাৰ্যসূচী ৰূপায়ন কৰে। চাওতাল জনগোষ্ঠীক জনজাতিকৰণ কৰা, বনাঞ্চলত বৰবাস কৰা ভূমিপুত্ৰ চাওতালাসকলক মাটিৰ পট্টা প্ৰদান কৰা আৰু চাওতালী মাতৃভাষাৰ শিক্ষক শীঘ্ৰে নিযুক্তি প্ৰদান কৰাৰ দাবীত আজি পুৱা ১০-৩০ বজাৰ পৰা দুপৰীয়া ডেৰ বজালৈ অনুষ্ঠিত হোৱা ধৰ্ণা কাৰ্যসূচীত প্ৰায় সহস্ৰাধিক পুৰুষ মহিলাই অংশগ্ৰহণ কৰে। পিকেটিংকাৰীসকলে হাতে হাতে বেনাৰ, ফেষ্টুন , প্লেকাৰ্ড লৈ 'অসম চৰকাৰ হায় হায়, বিজেপি চৰকাৰ মুৰ্দাবাদ, এছ টি আমাক লাগিবই, আমাক মাটিৰ পট্টা প্ৰদান কৰক, আমাৰ দাবী ন্যায্য দাবী, ন' এচ টি ন'ৰেষ্ট' আদি ইত্যাদি শ্ল'গানেৰে চহৰৰ পৰিৱেশ উত্তাল কৰি তোলে। ধৰ্ণাৰ অন্তত সদৌ চাওতাল ছাত্ৰ সন্থাই জিলা উপায়ুক্তৰ জৰিয়তে তিনিদফিয়া দাবী সম্বলিত এক স্মাৰক পত্ৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু শিক্ষা মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰে। ইপিনে সদৌ চাওতাল ছাত্ৰ সন্থাৰ সভাপতি ছাইমন কিস্কুয়ে সংবাদ মাধ্যমৰ আগত কংগ্ৰেছ চৰকাৰৰ দৰেই বিজেপি চৰকাৰেও চাওতাল সকলক প্ৰতাৰণাহে কৰি আছে বুলি মন্তব্য প্ৰকাশ কৰিছে। নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে ক্ষমতাত আহিলেই জনজাতিকৰণৰ মৰ্যদা প্ৰদানৰ প্ৰতিশ্ৰুতি দিছিল যদিও কাৰ্যত প্ৰতাৰণাহে কৰিলে বুলি মন্তব্যৰ ছাইমন কিস্কুৱে দেশৰ আন ৰাজ্যত চাওতাল জনগোষ্ঠীয়ে জনজাতিৰ মৰ্যদা লাভ কৰিছে যদিও অসমৰ ভূমিপুত্ৰ চাওতাল সকলক অসমত চৰকাৰে জনজাতিৰ মৰ্যদাৰ পৰা বঞ্চিত কৰিছে বুলি মত প্ৰকাশ কৰিছে। আদিবাসীসকলৰ প্ৰতি চৰকাৰী বঞ্চনাৰ ক্ষোভ ব্যক্ত কৰি ছাইমন কিস্কুৱে ২০১৮ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত চাওতাল সকলক জনজাতিকৰণ সন্দৰ্ভত চৰকাৰে নিজৰ স্থিতি স্পষ্ট নকৰিলে চাওতাল ছাত্ৰ সন্থাই অসম বন্ধ, ৰে'ল অৱৰোধ আৰু ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধৰ দৰে কাৰ্যসূচীৰে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলিও হুংকাৰ প্ৰদান কৰিছে। আজিৰ ধৰ্ণা কাৰ্যসূচীত সন্থাৰ উপ সভাপতি ৰিমন সোৰেন, কোকৰাঝাৰ জিলা কমিটীৰ সভাপতিৰ আৰু সম্পাদক ক্ৰমে আলবিন মুৰ্মু আৰু ইয়ালিছ হেমব্ৰম চাওতালী ভাষা শিক্ষক সন্থাৰ সভাপতি জনথন মুৰ্মু আৰু অসম চাওতাল সাহিত্য সভাৰ সভাপতি ৰবিন হেমব্ৰমকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## স্বৰ্গীয় যোগেশ চন্দ্ৰ নাথৰ সোঁৱৰণ

### ৰাজ্যিক ভিত্তিক তৰ্ক প্ৰতিযোগিতা

**জনগণ সেৱা, গৰেমাৰী, ৬ ডিচেম্বৰ ঃ** ১৯,২০ আৰু ২১ ডিচেম্বৰত নামনি অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান বৰপেটা জিলাৰ হাউলীৰ বি এইচ কলেজৰ সোনালী জয়ন্তীৰ সামৰণি অনুষ্ঠান উদ্‌যাপন কৰা হ'ব। উক্ত অনুষ্ঠানটোৰ লগত সংগতি ৰাখি ১৬ ডিচেম্বৰত ৰাজ্যিক ভিত্তিত স্বৰ্গীয় যোগেশ চন্দ্ৰ নাথ দেৱৰ সোঁৱৰণত এখন আন্তঃ মহাবিদ্যালয় (সদৌ অসম ভিত্তিত) প্ৰাইজমানী তৰ্কপ্ৰতিযোগিতাৰ আয়োজন কৰিছে। উক্ত তৰ্ক প্ৰতিযোগিতাত অসমৰ মহাবিদ্যালয়,বিশ্ববিদ্যালয়,মেডিকেল কলেজ,ইঞ্জিনিয়াৰিং কলেজ, আই আই টি আদিৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাৰ মাধ্যম অসমীয়া অথবা ইংৰাজী হ'ব লাগিব। প্ৰতিখন মহাবিদ্যালয় নাইবা বিশ্ববিদ্যালয়ৰপৰা দুগৰাকীকৈ প্ৰতিযোগীক অংশগ্ৰহণ কৰিবলৈ দিয়া হ'ব। এগৰাকী প্ৰতিযোগীয়ে বিষয় বস্তুৰ সপক্ষে আৰু আন গৰাকীয়ে বিপক্ষে অংশগ্ৰহণ কৰিব লাগিব। প্ৰতিযোগীসকলে সংশ্লিষ্ট শিক্ষানুষ্ঠানৰ মুৰব্বীৰ প্ৰমানপত্ৰসহ প্ৰতিযোগিতাত যোগদান কৰিব লাগিব।

## ডিমাকুছিৰ যুৱক গুৱাহাটীত নিৰুদ্দেশ

### বিয়ালৈ মাত্ৰ মাজত সাত দিন বাকী



**জনগণ সেৱা, ডিমাকুছি, ৬ ডিচেম্বৰ ঃ** ৰাজ্যখনত বৰ্তমান সময়ত চৌদিশে বিভিন্ন ঠাইত যুৱক-যুৱতী, নিৰুদ্দেশ, অপহৰণ, বা অন্য কিছুমান দুস্কৃতিকাৰীয়ে অকালতে হত্যা কৰি পেলাই থোৱা ঘটনাই আৱৰি ধৰিছে। এনে কিছুমান অমানৱীয়, কাৰ্য সংঘটিত হৈ থকা সময়তে এইবাৰ অসমৰ ৰাজধানী গুৱাহাটীত। ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ পৰা কৰ্ম সংস্থাপনৰ সূত্ৰে ১ নং ডিমাকুছিৰ স্বৰ্গীয় বিৰাজ মোহন দত্তৰ পুত্ৰ শ্যামল দত্ত (৩২) ই গুৱাহাটীৰ বামুণিমৈদামত অনুৰাধা চিনেমা হ'লৰ বিপৰীত দিশত ফাৰ্মাছি চলাই পেটৰ ভাট মুঠিৰ বাবে ব্যৱসায় কৰি থকা সময়তে হঠাতে ২৮ নৱেম্বৰৰ পৰা সন্ধানহীন হৈ আছে। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে ডিচেম্বৰ মাহৰ ১৩ তাৰিখে শ্যামল দত্তৰ শুভ বিবাহৰ দিন ঠিক কৰা হৈছিল। সেয়েহে শ্যামলে ২৮ নৱেম্বৰ বুধবাৰে গুৱাহাটীৰ পাণ বজাৰত অৱস্থিত চেন্ট্ৰেল বেংক শাখাৰ পৰা টকা উঠাই বিয়াৰ বজাৰ কৰি ঘৰলৈ আহিব বিচাৰিছিল। কিন্তু সেই সময়ৰে পৰা শ্যামল সন্ধানহীন হৈ আছে। ইফালে শ্যামলৰ ঘৰত বিয়াৰ বাবে সম্পূৰ্ণ আয়োজন চলাই আছে। শ্যামল সন্ধানহীন হোৱা সন্দৰ্ভত শ্যামলৰ পৰিয়ালৰ লোকে তেখেতে নতুনকৈ বসবাস কৰিব লোৱা নগাঁও জিলাৰ চামগুৰি থানাত এক গোচৰ ৰুজু কৰে। কিন্তু বৰ্তমানেও আৰক্ষীয়ে কোনো সন্ধান উলিয়াব পৰা নাই। সেয়েহে যদি কোনো লোকে যুৱকজনৰ সন্ধান পায়, তেনেহলে ৯৮৫৯৮৮৩০৮১/ ৮৪৮৬৮০৯৭৫৯ এই নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## মধ্যাহ্ন ভোজন কৰ্মচাৰীৰ স্মাৰক পত্ৰ জিলা উপায়ুক্তক

### দৰমহা নিদিলে কামৰ পৰা ৰেহাই দিয়াৰ দাবী

**জনগণ সেৱা, আগমনী, ৬ ডিচেম্বৰ ঃ** মধ্যাহ্ন ভোজন কৰ্মচাৰীয়ে জুলাই আৰু ডিচেম্বৰৰ দৰমহাৰ বাবে স্মাৰক পত্ৰ প্ৰদান কৰে ধুবুৰী জিলা উপায়ুক্ত আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াক। স্মৰ্তব্য যে, মধ্যাহ্ন ভোজন কৰ্মচাৰী সকল বৰ্তমান মাহে মাত্ৰ এক হাজাৰ টকা দিয়াৰ বিপৰীতে জুলাই আৰু ডিচেম্বৰ মাহত কোনো দৰমহা বা মাননি নিদিয়ে। সামান্য মাননি দিয়াৰ বিপৰীতে আকৌ এবছৰত দুমাহ দৰমহা বা মাননি দিয়া নহয়। এনে ক্ষেত্ৰত সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়ন আগমনী শিক্ষা খণ্ডত স্মাৰক পত্ৰত মধ্যাহ্ন ভোজন কৰ্মচাৰীক জুলাই মাহৰ আৰু ডিচেম্বৰ মাহৰ দৰমহা দিয়াৰ বাবে আবেদন জনায়। অন্যথা গুণোৎসৱৰ নামত ডিচেম্বৰ মাহত ৰান্ধনীক বিনা মাননিৰে নখটাবলৈ আহ্বান জনায়। ভাৰত বৰ্ষত নিম্ন দৰমহাত ৰান্ধনীক কামত ৰাখি মানৱ অধিকাৰ ভংগ কৰা বুলিও সন্থায় দাবী জনায়। দিনত মাত্ৰ ৩৩ কোটি টকাত কাম কৰিছে ৰান্ধনীসকলে। দৈনিক ৰান্ধনী সকলে পুৱা ৯ বজাৰ পৰা আবেলিলৈ কাম কৰে ৰান্ধনীসকলে। তাৰ বিনিময়ত মাহত পায় এহাজাৰ টকাকৈ। শীঘ্ৰেই এই মাননী বৃদ্ধি কৰাৰ বাবে সম্পাদক বিষ্ণু ৰায়ে দাবী জনাইছে।আজি সন্থাই আগমনী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ জৰিয়তে জিলা উপায়ুক্ত আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াক স্মাৰক প্ৰত্ৰ দি ডিচেম্বৰত দৰমহা নিদিলে কামৰ পৰা ৰেহাই দিব লাগে বুলি দাবী জনালে।



*গুৱাহাটী প্ৰেছক্লাবত প্ৰতিবন্ধী সুৰক্ষা সন্থাই সংবাদ মেল সম্বোধন কৰাৰ এটি মুহূৰ্ত, বুধবাৰে*

## কাকীত প্ৰাক্তন ছাত্ৰ নেতা আৰু বিজেপি নেতাৰ কংগ্ৰেছত যোগদান

**জনগণ সেৱা, কাকী, ৬ ডিচেম্বৰ ঃ** হোজাই জিলাৰ কাকীত অসম গণ পৰিষদ হোজাই জিলাৰ সমিতিৰ অন্তৰ্গত ১ নং কাকী আঞ্চলিকত কালি অগপৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয় ১ নং কাকীৰ নাট্যচ'ৰাত। সভাত সভাপতিত্ব কৰে হোজাই জিলা অগপৰ সভাপতি আলহাজ ৰেজাউল কৰিম চৌধুৰীকে ধৰি অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ভাস্কৰ বড়ো, জিলা সমিতিৰ উপ সভাপতিদ্বয় দয়ানন্দ নেওগ, কিৰণ নাথ আৰু ধৰ্মীয় সংখ্যালঘু কোষৰ জিলা সভাপতি ইদ্ৰিছ আলী উপস্থিত থাকে। সভাত আগন্তুক বৰ্ষৰ বাবে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ভাস্কৰ বড়োৰ নেতৃত্বত ইন্দ্ৰমোহন শইকীয়া, সভাপতি অৰুণ বনিয়াক কাৰ্যকৰী সভাপতি আৰু জয়ন্ত বৰাক সম্পাদক হিচাপে লৈ ৩১ জনীয়া অগপৰ ১ নং কাকী আঞ্চলিক সমিতিখন গঠন কৰা হয়। ইফালে অসম যুৱ পৰিষদ আঞ্চলিক সমিতিখন ধীৰাজ বেজবৰুৱাক সভাপতি আৰু সম্পাদক হিচাপে ধৰ্মেন্দ্ৰ বৰাক দায়িত্ব দিয়াৰ বিপৰীতে অসম মহিলা পৰিষদৰ আঞ্চলিক সমিতিৰ সভানেত্ৰী হিচাপে পদ্মানী বৰাক আৰু সম্পাদিকা হিচাপে নিৰ্মালী দাসক দায়িত্ব দিয়া হয়। ইফালে ১ নং কাকী কাকমাৰীত অনুষ্ঠিত কংগ্ৰেছৰ এখন সাধাৰণ সভাত কাকী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদক অৰূপ বৰা আৰু বিজেপি যুৱ নেতা ভূপেন কলিতাই কংগ্ৰেছ দলত যোগদান কৰে। ১ নং কাকী মণ্ডল কংগ্ৰেছৰ সভাপতি সৰ্বানন্দ নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত উদালী ব্লক কংগ্ৰেছৰ সভাপতি মিছব শ্বাহ উদ্দিনকে ধৰি বহু কেইজন কংগ্ৰেছ নেতা উপস্থিত থাকে। ইফালে বিজেপি এৰি পুনৰ কংগ্ৰেছ দলত যোগদান কৰা যুৱ নেতা ভূপেন কলিতাই বিজেপিৰ ভিতৰত চ'ৰাত চলি থকা বিভিন্ন অনিয়মৰ বাবেই দলত্যাগ কৰা বুলি কোৱাৰ লগতে মই কৰা ভুলৰ অন্য কাকো নকৰিবলৈ আহ্বান জনায়।

### এন আৰ চিক লৈ নতুন বছৰত অসমবাসীয়ে এক ভাল খবৰ লাভ কৰিব ঃ এম জি ভি কে ভানু

# চাহ শ্ৰমিকৰ নতুন মজুৰি নিৰ্ধাৰণ হ'ব ১৫ ডিচেম্বৰত ঃ মন্ত্ৰী পল্লৱলোচন দাস

**জনগন সেৱা, তেজপুৰ, ৬ ডিচেম্বৰ ঃ** অসমীয়া খিলঞ্জীয়া ৰাইজৰ ৪০ বছৰীয়া সংগ্ৰাম আৰু প্ৰতিক্ষাৰ অন্তত ৩১ ডিচেম্বৰৰ নিশা প্ৰকাশ পাব ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ খচৰা। অসমৰ ৰাইজৰ সঁহাৰি আৰু বিভিন্ন জাতীয় সংগঠনৰ দাবীৰ পিছত ৰাজ্য চৰকাৰে খচৰা প্ৰকাশ কৰিবলৈ যি সিদ্ধান্ত লৈছে, সি অসমৰ ৰাইজক আশ্বস্ত কৰিব বুলি আজি তেজপুৰত মন্তব্য কৰে মন্ত্ৰী পল্লৱ লোচন দাসে। ইফালে এন আৰ চিক লৈ দেবতনু ভট্টাচাৰ্য নামৰ উগ্ৰ হিন্দুত্ববাদী নেতাজনৰ মন্তব্যক সেয়া তেওঁৰ ব্যক্তিগত মন্তব্য আৰু এনে মন্তব্যৰ দ্বাৰা প্ৰৰোচিত নহ'বলৈ ৰাইজক আহবান জনাই মন্ত্ৰীজনে। আনহাতে শেহতীয়াকৈ চাহ বাগিচাসমূহত দেখা দিয়া বিভিন্ন সমস্যাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যি নগদ বিহীন লেনদেনৰ বাবে বাগিচাসমূহত এ টি এম স্থাপন কৰাত গুৰুত্ব আৰোপ কৰিছিল, সেয়া কিন্তু আজি পৰ্যন্ত অসমৰ বাগিচাসমূহত হৈ নুঠিল। বহু বাগিচাত বিকল হৈ পৰি আছে এ টি এম সমূহ। যাৰ ফলত এতিয়াও বাগিচাসমূহত নগদ লেনদেন অব্যাহত আছে। এই প্ৰসংগত মন্ত্ৰীজনে কয়-- এইসমূহ সমস্যাৰ বাবে আজি অবিভক্ত শোণিতপুৰৰ চাহ বাগিচাসমূহৰ পৰিচালক আৰু স্বত্বাধিকাৰী সৈতে শোণিতপুৰ জিলা উপায়ুক্ত কাৰ্যালয়ত এক আলোচনাত মিলিত হয় মন্ত্ৰীজনৰ লগতে অতিৰিক্ত মুখ্য সচিব এম জি ভি কে ভানু। মন্ত্ৰীজনে লগতে ১৫ ডিচেম্বৰত চাহ বাগিচাৰ শ্ৰমিকসকলৰ মজুৰি বৃদ্ধি সম্পৰ্কত এক আলোচনা সাপেক্ষে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলিও কয়। ইফালে এন আৰ চি সম্পৰ্কত অতিৰিক্ত মুখ্য সচিব ভানুৱে বিশেষ মন্তব্য নকৰিলেও নতুন বৰ্ষত অসমবাসীয়ে এক ভাল খবৰ লাভ কৰিব বুলি মন্তব্য কৰে।

### নগাঁও জিলা পৰিবহন বিভাগত কৰ্মচাৰীৰ দায়িত্বজ্ঞানহীন কাণ্ড

# কাৰ্যালয়ত দৈনিক ১১ বজাৰ পিছত উপস্থিত হয় দুই কৰ্মচাৰী

**জনগণ সেৱা, নগাঁও, ৬ ডিচেম্বৰ ঃ** নগাঁও জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়ত একাংশ কৰ্মচাৰীৰ মইমতালিৰ বাবে সৰ্বসাধাৰণ ৰাইজে বিগত কিছুদিন ধৰি চৰম হাৰাশাস্তিৰ সন্মুখীন হোৱাৰ অভিযোগ উঠিছে। উত্থাপিত অভিযোগ অনুসৰি, বৰা উপাধিৰ উচ্চ বৰ্গৰ সহায়ক আৰু চৰকাৰৰ উপাধিৰ নিম্ন বৰ্গৰ সহায়ক দুজনে দৈনিক ১১ বজাৰ পিছত উপস্থিত হোৱাৰ ফলত কাৰ্যালয়টোৰ কাম-কাজ এক প্ৰকাৰ স্থবিৰ হৈ পৰিছে। ইয়াৰে উচ্চ বৰ্গৰ সহায়কজনে ব্যৱসায়িক মটৰ-গাড়ীৰ পাৰ্মিটৰ কাম-কাজ আৰু নিম্ন বৰ্গৰ সহায়কজনে ব্যক্তিগত সৰু বাহনৰ চালকৰ অনুজ্ঞাপত্ৰৰ কামৰ দায়িত্বত আছে। এই দুজন কৰ্মচাৰীয়ে প্ৰতিদিনে পলমকৈ কাৰ্যালয়ত উপস্থিত হোৱাৰ বাবে গাড়ীৰ পঞ্জীয়ন আৰু চালকৰ অনুজ্ঞাপত্ৰৰ কাম নিৰ্দিষ্ট সময়ৰ পৰিৱৰ্তে দুই-তিনিমাহ পৰ্যন্ত তাতবাতি কৰিব লগা হয়। আনহাতে, উৎকোচ নিদিলে কাৰ্যালয়টোত কোনো কামেই যে সম্ভৱ নহয় তাৰো আন এক গুৰুতৰ অভিযোগ উঠিছে। মনকৰিবলগীয়া যে, দৈনিক ব্যক্তিগত গাড়ীত গুৱাহাটীৰ পৰা অহা দুজন কৰ্মচাৰীয়ে এক প্ৰকাৰ উঠিৰজা বহিৰজা হৈ পৰিছে। ইপিনে, কাৰ্যালয়টোৰ মুখ্য সহায়কজনে নিজৰ কামৰ সহায়ৰ বাবে বিভাগীয় এজন প্ৰাক্তন কৰ্মচাৰী নিয়োগ কৰি কাম চলাই আহিছে। এই ক্ষেত্ৰত জিলা পৰিবহন বিষয়া গৰাকীয়ে ৰহস্যজনকভাৱে চকু মুদা কলিৰ ভাও জুৰা পৰিলক্ষিত হৈছে।

# বৰপেটাৰ কয়াকুছি গ্ৰন্থ মেলাৰ লাইখুঁটা স্থাপন

**জনগণ সেৱা, কয়াকুছি, ৬ ডিচেম্বৰ ঃ** প্ৰকৃত মানৱতা সৃষ্টি কৰিবলৈ বা ভাল মানুহৰ দৰে জীৱন গঢ়িবলৈ এখন ভাল গ্ৰন্থ আমাৰ জীৱনৰ বাবে পৰম আৰু চৰম বন্ধু-এই মন্তব্য বৰপেটা জিলাৰ উপায়ুক্ত থানেশ্বৰ মালাকৰৰ। বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ প্ৰাণকেন্দ্ৰ বিদ্যানগৰী তথা বিশ্ববিখ্যাৎ ঢাৰী নগৰী কয়াকুছিত ১৬ ৰ পৰা ২২ ডিচেম্বৰলৈ চলিবলগীয়া তৃতীয় সংখ্যক গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন কৰি এই দৰে কয় সুসাহিত্যিক মালাকাৰে। আজি দিনৰ ১০ বজাত কয়াকুছি গ্ৰন্থমেলাৰ বাকৰিত আয়োজিত এখনি মুকলি তথা সম্বৰ্ধনা সভা মেলাৰ সভাপতি আবু বাক্কাৰ ছিদ্দিকৰ পৌৰহিত্যত অনুষ্ঠিত হয় আৰু সভাত স্থানীয় বিধায়ক তথা গ্ৰন্থমেলাৰ মুখ্য পৃষ্ঠপোষক জাকিৰ হুছেইন শিকদাৰৰ সৈতে বহুতো গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। মেলাৰ সম্পাদক হান্নান আলী আহমেদে আঁতধৰা অনুষ্ঠানত সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে বিশিষ্ট অভিনেতা দেলুৱাৰ হুছেইন। সভাখনত উপায়ুক্তৰ মালাকাৰৰৰ সৈতে বিধায়ক শিকদাৰে বিভিন্ন কাৰ্যসূচীৰ সৈতে চলিবলগীয়া গ্ৰন্থমেলাত সহযোগৰ সৈতে উপস্থিত থকাৰ বাবে আহ্বান জনোৱাৰ লগতে কয় যে নিজৰ নিজৰ ল'ৰা ছোৱালীক পুতুলা বন্দুক কিনি দিয়াৰ পৰিৱৰ্তে ভাল কিতাপ কিনি হাতত তুলি দি এজন ভাল মানুহ হোৱাৰ আহ্বান জনাব লাগিব বুলি গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। এক উৎসৱমুখৰ পৰিৱেশত অনুষ্ঠিত আজিৰ লাইখুঁটা স্থাপনত উপায়ুক্তৰ লগত সহযোগ কৰে বিধায়ক শিকদাৰে।



*গুৱাহাটী প্ৰেছক্লাবত ভীম ৰাও ৰামজী আম্বেদকাৰৰ মৃত্যু তিথি উদ্‌যাপনৰ এটি মুহূৰ্ত, বুধবাৰে*

# প্ৰবীণ শিল্পী গুণসিন্ধু হাজৰিকালৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ৫০ হাজাৰ টকাৰ সাহায্য

## তেজপুৰৰ 'চাতক'ৰ কৃতজ্ঞতা মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা আৰু মুখ্যমন্ত্ৰীলৈ

**জনগন সেৱা, তেজপুৰ, ৬ ডিচেম্বৰ ঃ** সুদীৰ্ঘ ৩৬ বছৰ ধৰি অন্ধত্বৰে দুৰ্বিসহ জীৱন কটোৱা অসমৰ চলচ্চিত্ৰ জগতৰ সুদক্ষ পৰিচালক তথা ৰাজ্যখনৰ প্ৰবীণ শিল্পী গুণসিন্ধু হাজৰিকাৰ চিকিৎসাৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা আজি ৫০ হাজাৰ টকা আৰ্থিক সাহায্য প্ৰদান কৰাৰ কথা মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীৰ পৰা জানিব পৰা গৈছে। উল্লেখ্য যে, তেজপুৰৰ সাংস্কৃতিক অনুষ্ঠান 'চাতক'য়ে তিনি ডিচেম্বৰৰ তাৰিখে দীৰ্ঘদিন ধৰি ৰোগত আক্ৰান্ত হৈ থকা শিল্পীগৰাকীৰ গুৱাহাটীৰ হেঙেৰাবাৰীস্থিত হাউচিং কলনীৰ বাসগৃহত কিঞ্চিৎ সন্মান প্ৰদৰ্শন কৰাৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰাৰ পিছত শিল্পীগৰাকীৰ দুৰ্বিসহ জীৱন সন্দৰ্ভত অৱগত কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীলৈ শিল্পীগৰাকীৰ প্ৰতি কিঞ্চিৎ সহায় আগবঢ়াবৰ বাবে এক পত্ৰও প্ৰেৰণ কৰিছিল উক্ত দিনাই। এই পত্ৰ পোৱাৰ পিছতেই 'চাতক'ৰ আহ্বানৰ প্ৰতি তৎপৰতাৰে সহাঁৰি জনাই আজি মিডিয়া উপদেষ্টাগৰাকীয়ে শিল্পীগৰাকীক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ৫০ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ কথা 'চাতক'ৰ বিষয়ববীয়াক অৱগত কৰাৰ লগতে সংবাদ মাধ্যমকো অৱগত কৰিছে। কাইলৈ শিল্পীগৰাকীয়ে এই সাহায্য লাভ কৰিব বুলি জানিবলৈ দিছে মিডিয়া উপদেষ্টাগৰাকীয়ে। আনহাতে, অসমৰ চলচ্চিত্ৰ উদ্যোগক গতিশীলতা প্ৰদান কৰা তথা অসমৰ শিল্প-কলা ক্ষেত্ৰখনৰ এগৰাকী অগ্ৰণী ৰণুৱা আৰু বৰ্তমান একমাত্ৰ পত্নীৰে সৈতে দৃষ্টিহীন অৱস্থাৰে দুৰ্বিসহ জীৱন কটাই থকা শিল্পীগৰাকীৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি অতি তৎপৰতাৰে মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা গৰাকীয়ে পদক্ষেপ গ্ৰহণ কৰাত তেজপুৰৰ 'চাতক'ৰ সভাপতি অনিল ভট্টাচাৰ্য, সম্পাদকদ্বয় ভৱানী ভুএগ্ৰা, পংকজ শৰ্মা আৰু প্ৰচাৰ সম্পাদক পংকজ বৰুৱাৰ লগতে 'চাতক' পৰিয়ালে কৃতজ্ঞতা প্ৰকাশ কৰাৰ উপৰিও তেজপুৰৰ শিল্পী-কলা কুশলীসকলেও মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা গৰাকীৰ লগতে মুখ্যমন্ত্ৰী গৰাকীক কৃতজ্ঞতা জ্ঞাপন কৰিছে। উল্লেখ্য যে ২০১০ বৰ্ষত তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰত 'চাতক'য়ে গুণসিন্ধু হাজৰিকাক 'চাতক সন্মান' প্ৰদান কৰিছিল যদিও শিল্পীগৰাকীৰ অসুস্থতাৰ বাবে এই বঁটা শিল্পীগৰাকীৰ এগৰাকী ভাতৃয়ে গ্ৰহণ কৰিছিল।